# NSD NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 30-06-2024
**Time :** 13-40 Hrs.

## *Assamese Midday Bulletin*
## *HEADLINES*

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে লোকসভা নিৰ্বাচনত দেশৰ সংবিধান আৰু গণতান্ত্ৰিক ব্যৱস্থাৰ প্ৰতি পুনৰ আস্থা প্ৰকাশ কৰাৰ বাবে জনসাধাৰণৰ শলাগ লৈছে।

২। প্ৰধানমন্ত্ৰীয়ে সমগ্ৰ বিশ্বৰে জনসাধাৰণক মাতৃৰ সৈতে এটি গছপুলি ৰোপণ কৰিবলৈ অথবা এটি পুলি মাৰ নামত উৎসৰ্গা কৰিবলৈ আহ্বান জনাইছে।

৩। প্ৰধানমন্ত্ৰী মোদীয়ে সংস্কৃত বুলেটিন প্ৰচাৰৰ আজি ৫০ বছৰ পূৰ্ণ হোৱাৰ বাবে আকাশবাণীৰ পৰিয়ালক শুভেচ্ছা জ্ঞাপন কৰিছে।

**আৰু**

৪। নতুন ফৌজদাৰী আইন ভাৰতীয় ন্যায় সংহিতা ২০২৩, ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতা ২০২৩ আৰু ভাৰতীয় সাক্ষ্য অধিনিয়ম ২০২৩ কাইলৈৰ পৰা প্ৰযোজ্য হ'ব।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে লোকসভা নিৰ্বাচনত দেশৰ সংবিধান আৰু গণতান্ত্ৰিক ব্যৱস্থাৰ প্ৰতি পুনৰ আস্থা প্ৰকাশ কৰাৰ বাবে জনসাধাৰণৰ শলাগ লৈছে। আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ যোগেদি আজি ৰাষ্ট্ৰক উদ্দেশ্যি ভাষণ দি শ্ৰীমোদীয়ে কয় যে, চলিত বৰ্ষৰ সাধাৰণ নিৰ্বাচন বিশ্বৰ সৰ্ববৃহৎ নিৰ্বাচনৰূপে পৰিগণিত হৈছে আৰু এইবাৰৰ লোকসভা নিৰ্বাচনত ৬৫ কোটি লোকে গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰিছে। বিশ্বৰ আন কোনো দেশত কেতিয়াও ইমান সংখ্যক লোকে ভোটদানৰ অধিকাৰ সাব্যস্ত কৰা নাই বুলি প্ৰধানমন্ত্ৰীয়ে মন্তব্য কৰিছে। শ্ৰীমোদীয়ে লগতে নিৰ্বাচন আয়োগ আৰু নিৰ্বাচনী প্ৰক্ৰিয়াৰ সৈতে জড়িত সকলোকে অভিনন্দন জনাইছে।

প্ৰধানমন্ত্ৰীয়ে কৈছে যে, ৩০ জুন এটা গুৰুত্বপূৰ্ণ দিন কিয়নো এই দিনটোতে হুল দিৱস পালন কৰা হয়। তেওঁ কয় যে এই দিৱস বৃটিছ শাসকসকলৰ আতিশায্যৰ বিৰোধিতা কৰা সিদ্ধো আৰু কানহুৰ অদম্য সাহসৰ সৈতে জড়িত। বীৰ সিদ্ধো আৰু কানহুই ১৮৫৫ চনত ঝাৰখণ্ডৰ  চাওতাল পৰগনাৰ হাজাৰ হাজাৰ চাওতালী লোকক বৃটিছৰ বিৰুদ্ধে যুঁজ দিয়াৰ বাবে ঐক্যবদ্ধ কৰিছিল। এই সংগ্ৰামত অদম্য সাহসৰ প্ৰদৰ্শন কৰি বীৰ সিদ্ধো আৰু কানহুই শ্বহিদ হৈছিল বুলি প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে। তেওঁ কয় যে, ঝাৰখণ্ডৰ এই সন্তান দুগৰাকীৰ চৰম বলিদানে জনসাধাৰণক আজিও অনুপ্ৰাণিত কৰি আহিছে। এইবেলি বিশ্ব পৰিবেশ দিৱস উপলক্ষে আৰম্ভ কৰা **এক পেড় মা কে নাম** নামৰ বিশেষ অভিযানৰ কথা উল্লেখ কৰি শ্ৰীমোদীয়ে সমগ্ৰ বিশ্বৰে জনসাধাৰণক মাতৃৰ সৈতে এটি গছপুলি ৰোপণ কৰিবলৈ অথবা এটি পুলি মাৰ নামত উৎসৰ্গা কৰিবলৈ আহ্বান জনাইছে। তেওঁ কয় যে, এই অভিযানে প্ৰত্যককে মাতৃৰ প্ৰতি মৰম ভালপোৱা প্ৰকাশত সুযোগ প্ৰদান কৰিছে। এই অভিযানে আই ধৰিত্ৰীক সুৰক্ষিত কৰিব বুলি তেওঁ প্ৰকাশ কৰে। শ্ৰীমোদীয়ে কয় যে, ভাৰতত যোৱা দশকত বনভূমিৰ অভূতপূৰ্ব সম্প্ৰসাৰণ পৰিলক্ষিত

হৈছে। তেওঁ কয় যে, অমৃত মহোৎসৱৰ সময়ত সমগ্ৰ দেশত ৬০ হাজাৰৰো অধিক অমৃত সৰোবৰ বিকশাই তোলা হৈছে।

বাৰিষা ঋতু সন্দৰ্ভত মত প্ৰকাশ কৰি শ্ৰীমোদীয়ে কেৰালাত নিৰ্মাণ কৰা কাৰথুম্বি নামৰ এবিধ বিশেষ ছাতিৰ কথা উল্লেখ কৰে। প্ৰধানমন্ত্ৰীয়ে এই ৰং বিৰঙৰ ছাতি নিৰ্মাণ কৰাৰ বাবে কেৰালাৰ জনজাতীয় মহিলাসকলৰ প্ৰশংসা কৰে আৰু বিশ্বৰ বিভিন্ন প্ৰান্তত এই ছাতিৰ বৰ্ধিত চাহিদাক লৈ সন্তুষ্টি প্ৰকাশ কৰে। তেওঁ কয় যে, মহিলাৰ নেতৃত্বত কেৰালাৰ জনজাতীয় সম্প্ৰদায়ে উদ্যমশীলতাৰ অপূৰ্ব নিদৰ্শন আগবঢ়াইছে। তেওঁ কয় যে এই মহিলাসকলে খুচুৰা বিপনী আৰু পৰম্পৰাগত কাফে মুকলি কৰাৰ প্ৰস্তুতি চলাইছে। তেওঁ কয় যে, ভোকেল ফৰ লোকেল অৰ্থাৎ স্থানীয় সামগ্ৰীৰ পোষকতা কৰাৰ ইয়াতকৈ ভাল উদাহৰণ একোৱেই হ'ব নোৱাৰে বুলি প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে। প্ৰধানমন্ত্ৰীয়ে এইবাৰৰ মন কী বাতত অন্ধ্ৰপ্ৰদেশৰ অল্লুৰী সীতাৰাম ৰাজু জিলাত ব্যাপক মাত্ৰাত উৎপাদিত অৰাকু কফিৰ কথাও উল্লেখ কৰে। এই কফি অনন্য স্বাদ আৰু সুগন্ধিৰ বাবে জনাজাত। এই কফিৰ খেতিৰ সৈতে প্ৰায় ডেৰ লাখ আদিৱাসী পৰিয়াল জড়িত হৈ আছে। প্ৰধানমন্ত্ৰীয়ে জম্মু কাশ্মীৰৰ স্নোপিজ নামৰ বিশেষ মটৰ মাহৰ কথা উল্লেখ কৰি শ্ৰীমোদীয়ে কয় যে অলপতে পুলৱামাৰ পৰা লণ্ডনলৈ এই মটৰৰ প্ৰথমটো খেপ প্ৰেৰণ কৰা হৈছে। এই সফলতাই জম্মু -কাশ্মীৰৰ জনসাধাৰণৰ সমৃদ্ধিৰ নতুন দুৱাৰ মুকলি কৰিছে বুলি প্ৰধানমন্ত্ৰীয়ে মন্তব্য কৰে। প্ৰধানমন্ত্ৰীয়ে লগতে hastag my prouducts my pride ৰ জৰিয়তে এনেধৰণৰ সামগ্ৰীৰ বিৱৰণ আগবঢ়াবলৈ শ্ৰোতাসকলৰ প্ৰতি আহ্বান জনায়। কুৱেইট চৰকাৰে ৰাষ্ট্ৰীয় ৰেডিঅ'ত হিন্দী ভাষাত বিশেষ অনুষ্ঠান আৰম্ভ কৰা বুলি প্ৰধানমন্ত্ৰীয়ে জানিবলৈ দিয়ে। তেওঁ কয় যে প্ৰতি দেওবাৰে কুৱেইট ৰেডিঅ'ত আধা ঘণ্টাৰ বাবে এই অনুষ্ঠান প্ৰচাৰ কৰা হয়। দেশখনত বাস কৰা ভাৰতীয় সম্প্ৰদায়ৰ লোকসকলৰ মাজত ভাৰতীয় চলচ্চিত্ৰ আৰু কলা জগতৰ চৰ্চা অতিকে জনপ্ৰিয় বুলি প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে। শ্ৰীমোদীয়ে লগতে এই ব্যৱস্থা গ্ৰহণ কৰাৰ বাবে কুৱেইটৰ চৰকাৰ আৰু জনসাধাৰণক ধন্যবাদ জ্ঞাপন কৰে।

যোগ সন্দৰ্ভত প্ৰধানমন্ত্ৰীয়ে কয় যে, সমগ্ৰ বিশ্বই দশম আন্তৰাষ্ট্ৰীয় যোগ দিৱস অতি উৎসাহেৰে পালন কৰিছে। তেওঁ কয় যে, যোগ দিৱসৰ আয়োজন আগবঢ়াৰ লগে লগে প্ৰতিবছৰে নতন নতুন অভিলেখৰো সৃষ্টি হৈছে। এনে ধৰণৰ একাংশ সাফল্যত আলোকপাত কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে, চৌদি আৰৱত এইবেলি অল হনৌফ নামৰ এগৰাকীক মহিলাই প্ৰথমবাৰৰ বাবে যোগাভ্যাসত নেতৃত্ব দিয়ে। ইজিপ্তত যোগাভ্যাসৰ দিনা এখন ফটো প্ৰতিযোগিতাৰ আয়োজন কৰা হয়। নীল নৈৰ পাৰ, লোহিত সাগৰৰ তীৰত আৰু পিৰামিদৰ সন্মুখত লাখ লাখ লোকে যোগাভ্যাস কৰাৰ আলোকচিত্ৰ অতিকে জনপ্ৰিয় হোৱা বুলি প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে। বাহৰেইনত দিব্যাংগ শিশুৰ বাবে বিশেষ শিবিৰৰো আয়োজন কৰা বুলিও শ্ৰীমোদীয়ে প্ৰকাশ কৰে।

ভূটানৰ থিম্ফুত আয়োজিত যোগ দিৱসৰ কাৰ্যসূচীত ভূটানৰ প্ৰধানমন্ত্ৰীগৰাকীয়ে অংশ গ্ৰহণ কৰে। প্ৰধানমন্ত্ৰীগৰাকীয়ে যোগ দিৱসত অংশ গ্ৰহণ কৰা সকলোকে কৃতজ্ঞতা জ্ঞাপন কৰিছে। তেওঁ জনসাধাৰণৰ জীৱনত ইতিবাচক প্ৰভাৱ পৰাৰ বাবে নিয়মীয়াকৈ যোগাভ্যাস কৰাৰ বাবে আহ্বান জনায়।

প্ৰধানমন্ত্ৰী মোদীয়ে অহা মাহত আৰম্ভ হ'বলগীয়া পেৰিছ অলিম্পিকৰ কথা উল্লেখ কৰে। তেওঁ অলিম্পিকত অংশগ্ৰহণ কৰিবলগীয়া ভাৰতীয় দলটোক শুভেচ্ছা জ্ঞাপন কৰিছে। তেঁও কয় যে, বিগত টকিঅ' অলিম্পিকত ভাৰতৰ দলটোৱে কৰা প্ৰদৰ্শনে দেশবাসীৰ মন জয় কৰে।

প্ৰধানমন্ত্ৰী মোদীয়ে সমাগত পেৰিছ্‌ অলিম্পিকতো প্ৰথমবাৰৰ বাবে নিশ্চিতভাৱে আৰু ভাল প্ৰদৰ্শন দেখিবলৈ বুলি মত প্ৰকাশ কৰিছে।

শ্ৰীমোদীয়ে কয় যে, সমগ্ৰ দেশে খেলুৱৈসকলে পদক অৰ্জন কৰি ঘৰলৈ ঘুৰি আহিব বুলি সমগ্ৰ দেশে আশাৰে বাট চাই আছে। তেঁও কয় যে, অনাগত দিনত তেঁও ভাৰতীয় দলটোৰ সৈতে মিলিত হব আৰু দেশৰ হৈ তেওঁলোকক সাহস যোগাব। তেওঁ জনসাধাৰণক #Cheer 4 Bharat ত ভাৰতীয় দলটোক উৎসাহ দিবলৈ আহ্বান জনায়।

প্ৰধানমন্ত্ৰী মোদীয়ে আকাশবাণীৰ সংস্কৃত বুলেটিন সম্প্ৰচাৰৰ আজি ৫০ বছৰ পূৰ্ণ হোৱাৰ বাবে আকাশবাণীৰ পৰিয়ালক শুভেচ্ছা জ্ঞাপন কৰিছে। তেওঁ কয় যে, বিগত ৫০ বছৰে এই বুলেটিনে ভালেমান জনসাধাৰণক সংস্কৃতৰ সৈতে সংপৃক্ত কৰি ৰাখিছে।

শ্ৰীমোদীয়ে কয় যে, প্ৰাচীন ভাৰতীয় জ্ঞান আৰু বিজ্ঞানৰ অগ্ৰগতিত সংস্কৃতে এটা গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। তেওঁ  সংস্কৃতক জনসাধাৰণৰ দৈনন্দিন জীৱনৰ সৈতে সংযুক্ত আৰু সন্মান প্ৰদৰ্শন কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে।

শ্ৰীমোদীয়ে এটা সপ্তাহৰ পাছত আৰম্ভ হব লগা পুৰীৰ জগন্নাথ ৰথযাত্ৰাৰ কথা উল্লেখ কৰি কয় যে, ভগৱান জগন্নাথে দেশাসীক সদায়ে আশীৰ্বাদ দি থাকিব বুলি আশা প্ৰকাশ কৰে। তেঁও অমৰনাথ যাত্ৰা আৰু পন্ধাৰপুৰৱাৰীত অংশ লোৱা তীৰ্থযাত্ৰীসকলক শুভেচ্ছা জ্ঞাপন কৰিছে।

প্ৰধানমন্ত্ৰী মোদীয়ে মন কী বাতৰ জৰিয়তে জনসাধাৰণৰ সৈতে সংযুক্ত হৈ থাকিবলৈ পাই সন্তুষ্টি প্ৰকাশ কৰিছে। তেওঁ কয় যে, কেইমাহমানৰ বাবে মন কী বাত অনুষ্ঠান স্থগিত আছিল যদিও দেশত মন কী বাতৰ সন্দৰ্ভত এটা উৎসাহ আছিল আৰু সমাজে ইয়াক অবিশ্ৰান্তভাৱে আগবঢ়াই নিছে। তেওঁ কয় যে, মন কী বাতত বিকশিত ভাৰত নিৰ্মাণৰ বাবে দেশৰ চহকী সংস্কৃতি ইতিহাস আৰু প্ৰয়াসৰ সন্দৰ্ভত আলোচনা কৰা হ'ব।

০০০০

আকাশবাণী গুৱাহাটীৰ ৭৭ সংখ্যক প্ৰতিষ্ঠা দিৱস আৰু আঞ্চলিক বাতৰি বিভাগৰ ৬৮সংখ্যক প্ৰতিষ্ঠা দিৱসৰ সৈতে সংগতি ৰাখি গুৱাহাটীৰ মাছখোৱাৰ প্ৰাগজ্যোতি সাংস্কৃতিক প্ৰকল্পত কাইলৈ  বিভিন্ন কাৰ্যসূচীৰ লগতে **উত্তৰ পূৰ্বাঞ্চলৰ বিকাশ গাথা** শীৰ্যক এখন আলোচনাচক্ৰৰ আয়োজন কৰা হৈছে। আলোচনাচক্ৰত নেডফিৰ কাৰ্যবাহী সঞ্চালক এছ কে বৰুৱা, লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তৰ্ৰাষ্ট্ৰীয় বিমান বন্দৰৰ পৰিবেশ আৰু বহনক্ষমতা শাখাৰ মুৰববী সিদ্ধাৰ্থ ফুকন, ভাৰতীয় আৰক্ষী সেৱাৰ অৱসৰপ্ৰাপ্ত বিষয়া তথা আৰক্ষীৰ অসামৰিক প্ৰতিৰক্ষা আৰু গৃহৰক্ষী বিভাগৰ সঞ্চালক প্ৰধান প্ৰদীপ কুমাৰ, এইমছ গুৱাহাটীৰ কাৰ্যবাহী সঞ্চালক ডাঃ অশোক পুৰাণিক অতিথি হিচাপে উপস্থিত থাকিব। গুৱাহাটীস্থিত পি আই বিৰ অতিৰিক্ত সঞ্চালক প্ৰধান জেনে নামছুয়ে আলোচনাৰ আঁত ধৰিব। কাইলৈৰ অনুষ্ঠানত আকাশবাণীৰ বাতৰি বিভাগে আয়োজন কৰা বাতৰি পঢ়া প্ৰতিযোগিতাৰ বিজয়ীসকলৰ নাম ঘোষণা কৰাৰ লগতে পুৰস্কৃত কৰা হব।

০০০০

নতুন ফৌজদাৰী আইন ভাৰতীয় ন্যায় সংহিতা ২০২৩, ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতা ২০২৩ আৰু ভাৰতীয় সাক্ষ্য অধিনিয়ম ২০২৩ কাইলৈৰ পৰা প্ৰযোজ্য হ'ব। সংসদৰ শীতকালীন অধিবেশনৰ সময়ত এই

বিধেয়ককেইখন গৃহীত হৈছিল। নতুন আইন তিনিখন ভাৰতীয় নাগৰিকৰ সৰলীকৰণৰ দিশত এটা গুৰুত্বপূৰ্ণ পদক্ষেপ হ'ব। সকলোৰে বাবে সুলভ, সহায়ক আৰু দক্ষ ন্যায় ব্যৱস্থা গঢ়ি তোলাই এই আইনকেইখনৰ মূল উদ্দেশ্য। নতুন ফৌজদাৰী আইনকেইখনৰ ঘাই ব্যৱস্থাসমূহৰ ভিতৰত ঘটনাৰ অনলাইন অৱগতকৰণ, যিকোনো আৰক্ষী থানাত এজাহাৰ ৰুজু কৰা আৰু ঘটনাৰ বলি হোৱাসকলক এজাহাৰৰ প্ৰতিলিপি প্ৰদান কৰা অন্যতম। ইয়াৰ উপৰি কোনো ব্যক্তিক গ্ৰেপ্তাৰ কৰিলে তেওঁৰ নিজৰ স্থিতিৰ বিষয়ে পচন্দৰ ব্যক্তিক জনোৱাৰ অধিকাৰ থাকিব। নতুন আইন তিনিখনত লগতে মহিলা আৰু শিশুৰ বিৰুদ্ধে সংঘটিত অপৰাধৰ তদন্তত অগ্ৰাধিকাৰ প্ৰদান কৰা হৈছে। এনে ধৰণৰ গোচৰ এজাহাৰ ৰুজু হোৱাৰ দুমাহৰ ভিতৰত সমাধান কৰিব লাগিব।

০০০০

সমাপ্ত